# বহুমুখী প্ৰতিভাৰ ভঁৰাল ছগনলাল জৈন

গোপাল জালান

অসমীয়া ভাষা-সাহিত্যলৈ যিসকল মাৰোৱাৰী বংশোদ্ভৱ কবি-সাহিত্যিকে বিশেষ অৰিহণা যোগাইছে সেইসকলৰ ভিতৰত ছগনলাল জৈন হ'ল অন্যতম। অশেষ কষ্ট কৰি জীৱন সংগ্ৰামত জয়ী হোৱা ছগনলাল জৈন আছিল অসম আৰু অসমীয়াক ভাল পোৱা এগৰাকী আদৰ্শ ব্যক্তি। শূন্যৰপৰা জীৱন সংগ্ৰাম আৰম্ভ কৰা এইগৰাকী ব্যক্তিয়ে শৈশৱৰেপৰাই বহুতো কষ্ট কৰি অধ্যয়ন সমাপ্ত কৰিছিল। পলাশবাৰীত জন্মগ্ৰহণ কৰা ছগনলাল জৈনে মাত্ৰ সাত বছৰ বয়সতে সপ্তাহৰ পাঁচদিন ছাইকেলেৰে বোজা কঢ়িয়াই হাটে-বজাৰে মণিহাৰী বস্তুৰ ব্যৱসায় কৰিছিল। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে তেনে নকৰাৰ বিকল্পও নাছিল। দক্ষিণ কামৰূপৰ ব্যৱসায়িক কেন্দ্ৰ পলাশবাৰীত ১৯২৪ চনত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে সাত বছৰ বয়সতে উপলব্ধি কৰিছিল স্বাৱলম্বিতা অবিহনে জীৱনত এখোজো আগুৱাই যাব নোৱাৰি। আনৰ ওচৰত হাত পাতি বা আনৰ মুখলৈ চাই থকাতকৈ নিজে কষ্ট কৰি হ'লেও জীয়াই থকাৰ আনন্দই বেলেগ। ইমান কষ্ট কৰাৰ পাছত বহুতে হয়তো পঢ়া-শুনা বাদেই দিলেহেঁতেন। এইগৰাকী ব্যক্তিয়ে কিন্তু সপ্তাহত মাত্ৰ দুদিন বিদ্যালয়লৈ গৈয়েই অধ্যয়ন অব্যাহত ৰাখিছিল। তেখেতৰ মনোবল আৰু আগ্ৰহ দেখি তিনিচুকীয়াত থকা আত্মীয়ই সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। তেখেতক নাম লগাই দিলে এখন অসমীয়া মাধ্যমৰ বিদ্যালয়ত। চেনাইৰাম হাইস্কুলত অধ্যয়ন কৰা জৈনে আৰু কেতিয়াও পিছলৈ উভতি চাবলগীয়া নহ'ল। প্ৰতিটো শ্ৰেণীতে সুখ্যাতিৰে উত্তীৰ্ণ হৈ মনোবল বৃদ্ধি হোৱাত তেখেতে এই মাধ্যমেৰেই আগুৱাই যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এইখন হাইস্কুলৰপৰাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত সেই সময়ত উচ্চ শিক্ষাৰ অন্যতম কেন্দ্ৰ কটন কলেজত নামভৰ্তি কৰে। কটন কলেজৰপৰাই তেখেতে ইংৰাজী বিষয়ত (সন্মানসহ) স্নাতক ডিগ্ৰি লাভ কৰে। এনেদৰে অধ্যয়নৰ ক্ষেত্ৰখনত আগবাঢ়ি স্নাতকোত্তৰ ডিগ্ৰি লাভৰ বাবে উৎসাহী হৈ পৰে। পাছত কলকাতা বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰি লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে ইয়াৰ পাছত তেখেতে আইনৰ ডিগ্ৰি লাভৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে। আইন বিষয়তো তেখেত সমানেই সফল হয়। সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে ওকালতি আৰম্ভ কৰে। কিছুদিন ওকালতি কৰে যদিও ইয়াত মন নবহিল। কাৰণ ওকালতিৰ বাবে যিবোৰ কৰিবলগীয়া হয় তাৰ বাবে তেখেতৰ মনটোৱে মানি ল'ব পৰা নাছিল। সহজ-সৰল ব্যক্তি হোৱা বাবে এই বৃত্তিটো তেখেতৰ বাবে উপযুক্ত নহ'ব বুলি ভাবিয়েই ওকালতি বাদ দিলে।

উচ্চ শিক্ষাৰে শিক্ষিত ছগনলাল জৈনৰ সাহিত্য চৰ্চাৰ প্ৰতি আছিল অগাধ ৰাপ। সেই



*ছগনলাল জৈন*

সময়ত অসমত ছপাশালৰ সংখ্যাও আছিল সীমিত। বিশেষকৈ হিন্দী ছপাশাল বুলি একোৱেই নাছিল। ব্যৱসায়ৰ লগতে সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহী ছগনলাল জৈনে ফাঁচি বজাৰত আৰম্ভ কৰে 'পূৰ্বজ্যোতি' নামৰ এটি প্ৰেছ। আজিকালিৰ দৰে তেতিয়া সকলো সা-সুবিধাযুক্ত প্ৰেছৰ অভাৱ আছিল বাবে তেখেতে ছপা কাম আৰম্ভ কৰে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে যদিও তেখেতৰ প্ৰেছত হিন্দী গ্ৰন্থহে ছপাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল, তথাপি অসমীয়া ভাষাৰ চৰ্চাও সমানেই অব্যাহত ৰাখিছিল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিও আছিল দুৰ্বলতা। সেইবাবে এইগৰাকী ব্যক্তিয়ে হিন্দী আৰু অসমীয়া দুয়োটা ভাষাতে সৃষ্টিৰাজি আৰম্ভ কৰে। তেখেতে অনুবাদ সাহিত্যৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। 'পূৰ্বজ্যোতি প্ৰেছ'টো আৰম্ভ কৰাৰ পাছতে তেখেতে 'পূৰ্বজ্যোতি' নামৰ এখন মাহেকীয়া কাকত প্ৰকাশ কৰে। অৱশ্যে ইয়াৰ গুৰুত্ব বৃদ্ধি পোৱাৰ পাছৰেপৰাই ইয়াক সাপ্তাহিক ৰূপত প্ৰকাশ কৰে। সেই কাকতখনৰ সকলোখিনি কামেই নিজে সম্পাদিত কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এইখিনিতে উল্লেখ কৰিব লাগিব যে ছগনলাল জৈন আছিল পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলনৰদ্বাৰা প্ৰকাশিত 'সন্মেলন সমাচাৰ'ৰ প্ৰতিষ্ঠাপক সম্পাদক। তেখেতে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে প্ৰকাশ কৰা 'ৰাষ্ট্ৰসেৱক'ৰো সম্পাদনাৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিছিল। তেখেতে হিন্দী ভাষাত ৰচনা কৰা গ্ৰন্থকেইখনৰ ভিতৰত 'ৰাহ ঔৰ ৰোডে' উপন্যাসখনে পাঠকসকলৰপৰা সমাদৰ বুটলিবলৈ সক্ষম হৈছিল। তদুপৰি 'হাসতে হাসতে জীনা', 'সংঘৰ্ষ', 'ইনছান কী খোজ' নাটকেও সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। হিন্দীতে তেখেতে বহুতো কবিতা, প্ৰবন্ধ আদি ৰচনা কৰি হিন্দী সাহিত্যলৈ উত্তৰ-পূবৰ মাৰোৱাৰী সমাজৰ অৱদান জাকত জিলিকা কৰিবলৈ সক্ষম হৈছিল। যি সময়ত উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমত হিন্দী সাহিত্য সৃষ্টিত অৱদান আগবঢ়োৱা লোকৰ সংখ্যা আঙুলিৰ মুৰত লেখিব পৰা বিধৰ আছিল সেই সময়ত ছগনলাল জৈনে ৰচনা কৰা সাহিত্যৰাজিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। সাধাৰণতে মাৰোৱাৰীসকলে কেৱল ব্যৱসায়-বাণিজ্যতে আত্মনিয়োগ কৰে বুলি যি অপপ্ৰচাৰ দীৰ্ঘদিন ধৰি চলি আহিছে সেয়া ছগনলাল জৈনে বহু পৰিমাণে নোহোৱা কৰিব পাৰিছিল। তেখেতে সকলো শ্ৰেণীৰ সাহিত্যানুৰাগীৰ স্পন্দন বুজিব পাৰিছিল। সেইবাবে সমাজৰ সকলো স্তৰৰ লোকৰ বাবে গল্প, কবিতা আদি ৰচনা কৰি সমাদৃত হৈছিল। তেখেতৰ সাহিত্য সৃষ্টিৰ মূল উৎস আছিল সমাজত সচৰাচৰ ঘটি থকা ঘটনাৰাজি। সমাজ-জীৱনৰপৰা ফালৰি কাটি নোযোৱাকৈ লিখা বাবে তেখেতৰ সৃষ্টিৰাজি আজিও প্ৰাসংগিক।

ছগনলাল জৈন আছিল হাড়ে-হিমজুৱে অসমক ভাল পোৱা ব্যক্তি। অসমীয়া ভাষা-সাহিত্যৰ সৈতেও সংপৃক্ত আছিল। গল্প, কবিতাৰ উপৰি তেখেতৰ অন্যতম সৃষ্টি হ'ল—সংঘৰ্ষ (নাটক), সন্যাস নে সংসাৰ (নাটক), এটি প্ৰশ্ন (গল্প সংকলন) আদি। তেখেতৰ সাহিত্যৰাজিত শব্দৰ প্ৰয়োগ আছিল আকৰ্ষণীয়। অসমীয়া ভাষাত লিখা গল্প, কবিতা আদিত শব্দৰ প্ৰয়োগ